Total No. of Printed Pages—7

**HS/XII/A. Sc. Com/A/14**

**2 0 1 4**

**ASSAMESE**

**( Modern Indian Language )**

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A Objective Questions serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (প্ৰতিটো প্ৰশ্নৰ উত্তৰ **এটা** বা **দুটা** শব্দৰে) : ১×১০=১০

(ক) চণ্ডীদাস কোন পন্থৰ কবি আছিল ?

(খ) ‘মহাভাৰত’ কোনে ৰচনা কৰিছিল ?

(গ) গ্যেটে কোন দেশৰ পণ্ডিত আছিল ?

(ঘ) ড০ ভবেন্দ্ৰনাথ শইকীয়া ৰচিত ডিটেক্‌টিভ উপন্যাসখনৰ নাম কি ?

(ঙ) ইন্দ্ৰদ্যুম্ন কোন বংশৰ ৰজা আছিল ?

(চ) 'উভতি নহাৰ কবিতা'ৰ কবিজনৰ নাম লিখা।

(ছ) অমূল্য বৰুৱাৰ জন্ম চনটো লিখা।

(জ) 'নাটঘৰ' কবিতাটো কোন কবিতা-পুথিৰ পৰা লোৱা হৈছে ?

(ঝ) সীতাৰ মাকৰ নাম কি ?

(ঞ) 'চিৰাজ' নাটকৰ নাট্যকাৰৰ নাম লিখা।

২। শুদ্ধ নে অশুদ্ধ লিখা (কেৱল শুদ্ধ বা অশুদ্ধ বুলি উত্তৰ-বহীত লিখা) : ১×৫=৫

(ক) ইটালী দেশত চণ্ডীদাসৰ জন্ম হৈছিল।

(খ) 'হৰিবংশ'ত শ্ৰীকৃষ্ণৰ জন্ম, বংশাৱলী আৰু কাৰ্যাৱলী বৰ্ণনা কৰা হৈছে।

(গ) সাবিত্ৰীৰ বাপেক নিউমোনিয়া বেমাৰত ঢুকাইছিল।

(ঘ) 'বৰ্ণবোধ' গল্পৰ নায়িকা জয়ন্তী এজনী কলেজীয়া ছাত্ৰী।

(ঙ) সাহিত্য অকাডেমী বঁটা লাভ কৰা প্ৰথম অসমীয়া লেখিকাগৰাকীৰ নাম নলিনীবালা দেৱী।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা : ১×৫=৫

(ক) কাম-গন্ধ —— তায়।

(খ) জগতৰ ক্ৰান্তিবোৰৰ —— আছিল সাহিত্য।

(গ) কলিংগ পতিক মাতি —— উত্তৰ।

(ঘ) খাদ্যৰ নামতো সিহঁতে পায় —— বীজ!

(ঙ) জাতি-বিজাতি মানুহে গঢ়া, —— গঢ়া নহয়।

SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ উত্তৰ-বহীত লিখা (প্ৰতিটো উত্তৰ **তিনিৰ** পৰা **ছয়** শাৰীৰ ভিতৰত) : ৩×১০=৩০

(ক) ডান্টে কি কাৰণে ফ্লোৰেন্স নগৰৰ পৰা নিৰ্বাসিত হৈছিল? ৩

(খ) প্ৰাক্-শংকৰী যুগৰ সাহিত্যত নাৰদৰ প্ৰকৃতি কেনে আছিল? ৩

(গ) নৰকাসুৰ ক'ৰ ৰজা আছিল? তেওঁক কোনে বধ কৰে? $১\frac{১}{২}+১\frac{১}{২}=৩$

(ঘ) ইতিহাস, দৰ্শন, অৰ্থশাস্ত্ৰ আদিৰ সৈতে সাহিত্যৰ পাৰ্থক্য কি? ৩

(ঙ) ড০ বাণীকান্ত কাকতি ৰচিত যি কোনো তিনিখন গ্ৰন্থৰ নাম লিখা। ১+১+১=৩

(চ) ৰমাই ক'ত, কেনেকৈ জয়ন্তীক আখৰ লিখিবলৈ শিকাইছিল? $১\frac{১}{২}+১\frac{১}{২}=৩$

(ছ) ''অলপীয়া পোহৰত কলমটো ঘঁহাই ঘঁহাই পষ্টকাৰ্ডখনত জয়ন্তীয়ে এটা আখৰ লিখিলে—'ক'।'' জয়ন্তীয়ে কালৈ, কিয় পষ্টকাৰ্ডখনত এটা আখৰ লিখিলে? ১+২=৩

(জ) ইন্দ্ৰদ্যুম্ন ৰজাই কেনেকৈ জগন্নাথৰ মূৰ্তি নিৰ্মাণ কৰাইছিল? ৩

(ঝ) শ্ৰীশ্ৰীশংকৰদেৱৰ ৰচিত যি কোনো তিনিখন নাটৰ নাম লিখা। ৩

(ঞ) 'উভতি নহাৰ কবিতা'ত কবিয়ে পৃথিৱীলৈ উভতি নাহো বুলি কিয় ভাবিছে? ৩

(ট) 'দুয়ো দলৰ নাম কুকুৰ'—ইয়াত কবিয়ে কি দুদল কুকুৰৰ কথা কৈছে? $১\frac{১}{২}+১\frac{১}{২}=৩$

(ঠ) 'নাটঘৰ' কবিতাটোত কবিয়ে সংসাৰখনক আৰু মানুহক কি ৰূপে কল্পনা কৰিছে? ৩

(ড) ''ফুলনিতকৈয়ো ফুল ছিঙি থকাজনী আৰু ধুনীয়া।'' উক্ত কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছে? ১+১+১=৩

(ঢ) কন্দৰ্পই সাবিত্ৰীক কিয় বিয়া কৰাব নোৱাৰিলে? ৩

(ণ) সীতাৰ সৈতে কাৰ মিলন হয়? কাৰ সাহায্যত এই মিলন সম্ভৱ হৈছিল? ১+২=৩

## ( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) "নাৰদ দেৱৰ্ষি, পৰমভক্ত আৰু দেৱকাৰ্যত সোঁহাত।" উক্ত কথাষাৰৰ আধাৰত ভাৰতীয় পুৰণি সংস্কৃত শাস্ত্ৰত নাৰদ চৰিত্ৰ কেনে ৰূপত অংকিত হৈছে, বহলাই লিখা।

(খ) সাহিত্য মানে কি? সাহিত্যৰ সম্বন্ধ প্ৰধানকৈ কাৰ লগত, বহলাই লিখা।

(গ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

"জয়ন্তীৰ মনটো উৰুঙা উৰুঙা লাগিল। বিয়াখনৰ লগত তাইৰ কোনো সম্পৰ্ক নাছিল, কিন্তু তাত ঘৰটোৰ বাহিৰেও আহল-বহল ৰভা আছিল, কিয় জানো তাই ক'ব নোৱাৰে সেই মুকলি ৰভাবোৰ তাইৰ ভাল লাগিছিল।"

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) 'ইন্দ্ৰদ্যুম্ন ৰজাৰ যজ্ঞ আয়োজন' কাব্যাংশৰ মূল ভাৱ লিখা।

(খ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

"কোন কাৰ জগতৰ কোন কাৰ মৰমৰ
চকুৰ চিনাকি দুদিনৰ"

(গ) পৃথিৱীৰ প্ৰতি কবিৰ অন্তৰৰ ভালপোৱা কেনেদৰে প্ৰকাশ পাইছে, 'উভতি নহাৰ কবিতা'ৰ জৰিয়তে বৰ্ণনা কৰা।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) ‘চিৰাজ’ নাটকখনত দুটা প্ৰধান সামাজিক সমস্যা ৰূপায়িত কৰা হৈছে। সেই দুটা কি কি? সেই দুটাৰ আধাৰত সামাজিক নাটক হিচাপে ‘চিৰাজ’ নাটকখন আলোচনা কৰা। ২+৪=৬

(খ) ‘চিৰাজ’ নাটকৰ নাৰী-চৰিত্ৰকেইটাৰ নাম উল্লেখ কৰি তাৰে দুটা নাৰী-চৰিত্ৰৰ একোটা চমু টোকা লিখা। ৬

(গ) ‘চিৰাজ’ নাটকৰ মূল উৎস কি? সেই উৎস আৰু নাটকীয় কাহিনীৰ পাৰ্থক্যসমূহ লিখা। ১+৫=৬

**( ব্যাকৰণ ভাগ )**

৮। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) গৰু বন্ধা ঘৰ

(খ) মাকৰ ভনীয়েক

(গ) খাবলৈ অনা কলপুলি

(ঘ) যাৰ ঘৰ-বাৰী নাই

(ঙ) আনৰ ভাল দেখিব নোৱাৰা মানুহ

(চ) ঘৈণীয়েক মৰা মানুহ

(ছ) যি চকুৰে নেদেখে

(জ) যি শক্তিক উপাসনা কৰে

৯। তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৪

(ক) যি মূলা বাঢ়ে দুপাততে চিন

(খ) অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ

(গ) হস্তীৰো পিছলে পাৰ সজ্জনৰো বুৰে নাও

১০। তলৰ খণ্ডবাক্যকেইটাৰে অৰ্থপূৰ্ণ বাক্য ৰচনা কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

অহুকাণে পহুকাণে ; কণাৰ লাখুটি ; খাই পাত ফলা ; ঘৰ-গোনা ; জাকত-জিলিকা ; ধোদৰ পচলা।

১১। তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুওৱা (যি কোনো **চাৰিটা**) : ১×৪=৪

কচুৰনি ; খেতিয়ক ; মগনিয়াৰ ; জাননী ; সাঁচতীয়া ; ফুলাম ; এলেহুৱা ; ভিতৰুৱাল।

১২। তলৰ শব্দকেইটাৰ লিংগ পৰিৱৰ্তন কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

নাতিনী ; কইনা ; বান্দৰ ; ৰান্ধনি ; ভাই ; শালিকী ; পগলা ; সুন্দৰী।

১৩। তলৰ যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা : ১০

(ক) মেঘালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য

(খ) তুমি উপভোগ কৰা এখন অসমীয়া কথাছবি

(গ) ছাত্ৰৰ দায়িত্ব আৰু কৰ্তব্য

(ঘ) বিজ্ঞানৰ অৱদান

★★★